**কৃষক ৰাইজলৈ গোহাৰি**

আমাৰ এই 'ঘৰে - পথাৰে' পত্ৰিকাখনিৰ ই-সংস্কৰণ মুকলি কৰা হৈছে। গতিকে কৃষক ৰাইজে আমাৰ ৱেব চাইট www.aau.ac.in লগ অন কৰি 'ঘৰে-পথাৰে' ই-সংস্কৰণৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

মুখ্য সম্পাদক
'ঘৰে-পথাৰে'
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

# ঘৰে-পথাৰে

## পষেকীয়া কৃষি পত্ৰিকা

## অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

**এই সংখ্যাত আছে -**


| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ শালিখেতিত বিজ্ঞানসন্মত উৰ্বৰা | ২ |
| ☐ কৃষি ক্ষেত্ৰত নাইট্ৰ'জেন জাতীয় | ২ |
| ☐ আমাৰ একাষাৰ .. .. . | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. .. | ৪ |


☐ ৪৪ তম্ বছৰ ☐ সংখ্যা ১৩ ☐ ১ জুলাই - ২০২৩ ☐ ১৬ - ৩০ আহাৰ, ১৯৪৫ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06

### আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে

# অসম কৃষি বিশ্ববিদ্যালয়ত আয়োজন কৰা যোগ বিষয়ক বিশেষ বক্তৃতানুষ্ঠান সম্পন্ন

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়ৰ উদ্যোগত যোৱা ২২ জুন তাৰিখে আয়োজন কৰা "বসুধৈৱ কুটুম্বকম" যোগ বিষয়ক বিশেষ বক্তৃতানুষ্ঠানৰ মূল ভাষণ প্ৰদান কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰ প্ৰচাৰক উল্লাস কুলকাৰ্ণীয়ে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেখেতে কয় যোগৰ মান্যতা আৰু আকৰ্ষণ তীব্ৰ গতিত বাঢ়িব ধৰিছে। আমি কাম কৰাৰ কৌশলেই সহজ অৰ্থত যোগ। সকলোৰে প্ৰতি সন্মান আৰু একাগ্ৰতাৰে মনৰ সাধনাই যোগ। তেখেতে লগতে কয় যে সমাজৰ উন্নতিৰ বাবে যিসকলে গৱেষণা কৰে সেইসকল যোগী। সভ্যতাৰ সৌন্দৰ্যই হৈছে যোগ। সেই দিশৰ পৰা কৃষিত মূল্য সংযোজন কৰা সকলো যোগী। বহনক্ষম উন্নয়নৰ সৰ্বাত্মক বিচাৰেৰে অতি শৃংখলাবদ্ধ জীৱনশৈলীৰ লগত সংযোগ আছে।



*আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে অসম কৃষি বিশ্ববিদ্যালয়ত আয়োজন কৰা যোগ বিষয়ক বিশেষ বক্তৃতানুষ্ঠানৰ মূল ভাষণ প্ৰদান কৰা অৱস্থাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰ প্ৰচাৰক উল্লাস কুলকাৰ্ণী*

এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ সঞ্চলনা কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই বক্তব্যত যোগৰ উপকাৰিতা আৰু ইয়াৰ জৰিয়তে মানৱ সমাজৰ সামূহিক অগ্ৰগতিৰ জৰিয়তে কেনেকৈ সমৃদ্ধ কৰিব পাৰি সেই বিষয়ে চমুকৈ ব্যাখ্যা আগবঢ়ায়। অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকে আদৰণি ভাষণৰ লগতে বক্তৃতানুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰি ভাৰতীয় সভ্যতাৰ ঐতিহ্যৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ বিভিন্ন অনুষদৰ বিজ্ঞানগুৰুসকল, গৱেষণা সঞ্চালক, স্নাতকোত্তৰ শিক্ষা সঞ্চালক, ছাত্ৰ কল্যাণ সঞ্চালক, অসম ধান গৱেষণা প্ৰতিষ্ঠানৰ মুখ্য বিজ্ঞানী, বুঢ়ালিক্চন কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ মূৰব্বী, সহযোগী গৱেষণা সঞ্চালকসকল, বিভাগীয় মূৰব্বী অধ্যাপকসকল, গৱেষক বিজ্ঞানীসকল, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী আৰু গৱেষক-শিক্ষাৰ্থীসকলে অংশ গ্ৰহণ কৰে।

## অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ (এপাৰ্ট) প্ৰকল্পৰ অধীনত সামূহীক বীজ উৎপাদনৰ কৌশল আৰু বজাৰ সংযোজনৰ ওপৰত আলোচনাচক্ৰ

অসমৰ বীজ উৎপাদন ক্ষেত্ৰখনি উন্নীতকৰণৰ বাবে অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ (এপাৰ্ট) প্ৰকল্পৰ অধীনত অহৰহ চেষ্টা চলা অিহা হৈছে। অসমত বৰ্তমানলৈকে সৰ্বমুঠ উৎপাদিত বীজে অসমৰ কৃষকৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা হোৱা নাই। এই প্ৰকল্পৰ অধীনত যোৱা তিনিটা বছৰ ধৰি অসম কৃষি বিশ্ববিদ্যালয়ে কৃষক উৎপাদক কোম্পানী চমুকৈ এফ.পি.চি. দ্বাৰা চাপ সহনশীল উন্নতমানৰ ধানৰ বীজৰ উৎপাদনৰ লগতে সেই বীজসমূহৰ পুনৰ ক্ৰয়/বিপণনৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। সেই উদ্দেশ্য আগত ৰাখি সামূহীক বীজ উৎপাদনৰ কৌশল আৰু বজাৰ সংযোজনৰ ওপৰত এখনি দুদিনীয়া আলোচনাচক্ৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা গুৱাহাটীস্থিত ভাৰতীয় বেংক ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ "লকতাক" কনফাৰেন্স হলত যোৱা ১৬-১৭ জুন তাৰিখে অনুষ্ঠিত হৈ যায়। অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালকালয়ৰ প্ৰধান বিজ্ঞানী তথা এপাৰ্ট প্ৰকল্পৰ নডেল বিষয়া ড° ৰূপম বৰগোহাঁইয়ে আঁত ধৰা সভাখনিত অসম বীজ আৰু জৈৱিক প্ৰমাণীকৰণ অভিকৰণৰ সঞ্চালক মৌচম হাজৰিকা, আন্তঃৰ্জাতিক ধান গৱেষণা প্ৰতিষ্ঠানৰ বিজ্ঞানী ড° স্বাতি নায়ক, ড° বীৰেন্দ্ৰৰ কুমাৰ যাদৱ, অসম বীজ নিগম লিমিটেডৰ বিষয়া ড° আৰ পি সিং, এৰিয়াচ চ'চাইটিৰ বজাৰ বিশ্লেষক বিষয়া বলজিৎ সিং আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালকালয়ৰ প্ৰধান বিজ্ঞানী তথা সহকাৰী নডেল বিষয়া ড° দেবানন্দ দাস উপস্থিত থাকে। ড° ৰূপম বৰগোহাঁইয়ে আলোচনাচক্ৰখনিৰ উদ্দেশ্য ব্যাখ্যা

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

### অসম কৃষি বিশ্ববিদ্যালয়ত

## সৰ্বভাৰতীয় সমন্বিত কৃষি গৱেষণা প্ৰকল্পৰ পৰ্যালোচনা বৈঠক সম্পন্ন

অসম কৃষি বিশ্ববিদ্যালয়ত সৰ্বভাৰতীয় সমন্বিত কৃষি গৱেষণা প্ৰকল্পৰ প'ষ্ট হাৰ্ভেষ্ট ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজি (পি.এইচ.ই.টিৰ ওপৰত এ.আই.চি.আৰ.পি.)আৰু এ.আই.চি.আৰ.পি. অন প্লাষ্টিক ইঞ্জিনিয়াৰিং ইন এগ্ৰিকালচাৰ ষ্ট্ৰাকচাৰ এণ্ড মেনেজমেণ্ট (পি.ই.এচ.ই.এম)ৰ পঞ্চবাৰ্ষিক পৰ্যালোচনা বৈঠকখন যোৱা ১০ জুন তাৰিখে সফলতাৰে সামৰণি পৰে। খানাপাৰাৰ পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠকত গুণগত পৰ্যালোচনা দলৰ অধ্যক্ষ তথা আনন্দ কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° এন. চি পেটেল উপস্থিত থাকে। পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ডীন ড° বি. এন. শইকীয়াই আদৰণি ভাষণত পশুপালন খণ্ডৰ কৃষক আৰু উদ্যোগীসকলক সহায় কৰাৰ

(৪ পৃষ্ঠাৰ ৪ কলমত চাওক)

## উল্লাস কুলকাৰ্ণীৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰহা মীন মহাবিদ্যালয় পৰিদৰ্শন

যোৱা ২৫ জুন তাৰিখে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰ প্ৰচাৰক উল্লাস কুলকাৰ্ণীয়ে অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰহা মীন মহাবিদ্যালয় পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনত অনুষ্ঠিত অসমৰ থলুৱা মাছৰ প্ৰজনন আৰু প্ৰতিপালন সম্ভাৱনীয়তা শীৰ্ষক এক তিনিদিনীয়াকৈ অনুষ্ঠিত প্ৰশিক্ষণ শিৱিৰৰ সামৰণি অনুষ্ঠানত ভাগ লৈ থলুৱা মাছ পালনেৰে এখন ঘৰ কিদৰে স্বাৱলম্বী হ'ব পাৰে সেই সম্পৰ্কে প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। মীন মহাবিদ্যালয় কৰ্তৃপক্ষই থলুৱা মাছৰ পোনা কৃষক সমাজৰ মাজত বিতৰণ কৰাৰ আঁচনিৰ প্ৰশংসা কৰে। ৰহা মীন মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিজ্ঞানগুৰু ড° বিনোদ কলিতাৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষক, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰ প্ৰচাৰক গৰাকীক আদৰণি জনায়। ইয়াৰ পাছতে এক বাৰ্তালাপ অনুষ্ঠানত মিলিত হৈ অসমক মাছৰ ক্ষেত্ৰত স্বাৱলম্বী কৰাৰ বাবে মহাবিদ্যালয়খনৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ে লোৱা প্ৰচেষ্টাৰ শলাগ লয়। তদুপৰি মীন মহাবিদ্যালয়ৰ আটাইকেইটা বিভাগ পৰিদৰ্শন কৰি শেহতীয়া অগ্ৰগতি আৰু কাম-কাজৰ বুজ লোৱাৰ লগতে মীনপামখনো পৰিদৰ্শন কৰে।

## ৰাজ্যিক এন এছ এছ বঁটাত উজ্বলিল অসম কৃষি বিশ্ববিদ্যালয়

### (এন এছ এছ কাৰ্যসূচী বিষয়া ঋতুৰাজ বৰুৱা আৰু স্বেচ্ছাসেৱক শাখাত উপাসনা শৰ্মা নিৰ্বাচিত)

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ৰাজ্যিক বাছনি প্ৰক্ৰিয়াত অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ অধীনৰ কাৰ্যসূচী বিষয়া ঋতুৰাজ বৰুৱা পোন প্ৰথমবাৰৰ কাৰণে ৰাজ্যিক এন এছ এছ কাৰ্যসূচী বিষয়া বঁটাৰ বাবে নিৰ্বাচিত হৈছে। ২০২০-২১ বৰ্ষৰ এন এছ এছৰ বিভিন্ন কাৰ্যসূচীৰ পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি এই বঁটা আগবঢ়োৱা হৈছে। ঋতুৰাজ বৰুৱা, বৰ্তমান অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ কৃষি মহাবিদ্যালয়, যোৰহাটৰ সম্প্ৰসাৰণ শিক্ষা বিভাগত এগৰাকী সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত। উল্লেখযোগ্য যে স্বেচ্ছাসেৱক শাখাত উদ্যান বিজ্ঞান আৰু কৃষি পদ্ধতি গৱেষণা মহাবিদ্যালয়, নলবাৰীৰ ছাত্ৰী

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

# শালিখেতিত বিজ্ঞানসন্মত উৰ্বৰা পৰিচালন আৰু শস্য পৰিচৰ্য্যা

জুন-জুলাই মাহত আৰম্ভ কৰি ডিচেম্বৰ - জানুৱাৰী মাহত চপোৱা খেতিয়েই শালিখেতি। অসমত শালিখেতি তলত উল্লেখ কৰা কৃষি পৰিস্থিতিসমূহত কৰা হয়।

১) সমস্যাৰহিত অঞ্চল বা নিয়মীয়া শালিখেতি কৰা অঞ্চল

২) পানী জমা হোৱা অঞ্চল

৩) বানপানী আক্ৰান্ত অঞ্চল

৪) আগতীয়াকৈ বৰষুণ পৰিসমাপ্তি ঘটা অঞ্চল।

সমস্যাৰহিত অঞ্চল বা নিয়মীয়া শালিখেতি কৰা অঞ্চলত শালিধানৰ উৎপাদন কৃষক ৰাইজে আশা কৰা মতে লাভ কৰে। আনহাতে, যিবোৰ অঞ্চলক সমস্যা জৰ্জৰিত অঞ্চল হিচাপে চিনাক্ত কৰা হৈছে সেইবোৰত শালিধানৰ উৎপাদন আশানুৰূপ নহয়। কিন্তু বিজ্ঞানসন্মত কৃষি প্ৰযুক্তি কৌশলৰ দ্বাৰা সেইবোৰ অঞ্চলত ধানৰ উৎপাদন যথেষ্ট পৰিমাণে বঢ়োৱাৰ অৱকাশ আছে।

**উৰ্বৰা পৰিচালন ঃ** বছৰ বছৰ ধৰি একেডৰা মাটিতে খেতি কৰি থকাৰ ফলত মাটিৰ আৱশ্যকীয় উপাদানসমূহ হ্ৰাস পায়। সেয়েহে মাটিৰ উৰ্বৰতা আৰু ইয়াৰ প্ৰয়োজনীয় গুণাগুণ ৰক্ষা কৰিবৰ বাবে জৈৱিক আৰু ৰাসায়নিক দুয়োবিধ সাৰেই প্ৰয়োজনীয়। সাৰৰ ব্যৱহাৰিক ক্ষমতা বৃদ্ধি কৰিবৰ বাবে সঠিক নিৰিখ, সময় আৰু নিয়মমতে সাৰ প্ৰয়োগ কৰিব লাগে। যিবোৰ অঞ্চলত নিয়মীয়াকৈ শালিখেতি কৰা হয় অৰ্থাৎ যিবোৰ সমস্যাৰহিত অঞ্চল সেইবোৰ অঞ্চলত বিঘাই প্ৰতি ১.৫ টন শুকান গোবৰ বা পচন সাৰ, ১২ কিঃগ্ৰাঃ ইউৰীয়া, ১৭ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ৪ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। চুপাৰ ফচফেট সাৰৰ অভাৱত ডি.এ.পি. সাৰ ব্যৱহাৰ কৰিব পাৰি। এই পৰিমাণৰ সাৰ কেৱল অৰ্দ্ধ চাপৰ জাতৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ওখ জাতৰ ধানৰ বাবে আগতে উল্লেখ কৰা পৰিমাণৰ আধা সাৰ ব্যৱহাৰ কৰাটো প্ৰয়োজনীয়। কিয়নো এনে জাতৰ ধানে সাৰ ল'ব পৰা ক্ষমতা চাপৰ বা মধ্যমীয়া ওখ জাতৰ ধানতকৈ কম। আজিৰ পৰিস্থিতিত বিঘাই প্ৰতি ১.৫ টন গোবৰ যোগান ধৰিব পৰাটো কঠিন বাবে গোবৰৰ বিকল্প হিচাপে 'ধইন্চা' নামৰ এবিধ সেউজ সাৰ খেতি পথাৰত ব্যৱহাৰ কৰিব পাৰি। সেয়েহে যিবোৰ অঞ্চলত অকল শালিখেতিহে কৰা হয় সেইবোৰ অঞ্চলত মাৰ্চ মাহতে 'ধইন্চা' নামৰ সেউজ সাৰৰ গুটি বিঘাই প্ৰতি ৫-৬ কিঃগ্ৰাঃ হিচাপে সিঁচি থব পৰা যায়। 'ধইন্চা বুলিলে ছেছবেনিয়া ৰ'ষ্ট্ৰাটা আৰু ছেছবিনিয়া একিউলেটাকে বুজা যায়। সেউজ সাৰৰ গছবিলাক ফুল ফুলাৰ সময়তে হালবাই মাটিৰ লগত মিহলি কৰি দিব লাগে। এনে কৰাৰ ফলত সেউজ সাৰখিনি পচি মাটিৰ লগত মিহলি হৈ যাব আৰু মাটিত নাইট্ৰ'জেনযুক্ত সাৰৰ যোগান ধৰিব। সেউজ সাৰৰ ব্যৱহাৰৰ দ্বাৰা ধান খেতিত অজৈৱিক সাৰৰ ব্যৱহাৰ ২৫ ৰ পৰা ৩০ শতাংশলৈকে কমাব পাৰি। সমস্যাৰহিত অঞ্চলত কৰা শালিখেতিত শেষৰবাৰ হাল বোৱাৰ সময়তে ইউৰীয়াৰ আধা অংশ, একক চুপাৰ ফচফেট আৰু পটাছৰ সম্পূৰ্ণ অংশ প্ৰয়োগ কৰিব লাগে। বাকী ৰৈ যোৱা ইউৰীয়াভাগ ধানে মণিধৰা সময়ত (ৰোৱাৰ ৪৫-৫৫ দিনৰ ভিতৰত) প্ৰয়োগ কৰিব লাগে (১০০-১২০ দিনীয়া জাতৰ ক্ষেত্ৰত)। দীৰ্ঘদিনীয়া জাতৰ (১৫০ দিনীয়া) ক্ষেত্ৰত ইউৰীয়াৰ আধা অংশ, একক চুপাৰ ফচফেট আৰু পটাছৰ সম্পূৰ্ণ অংশ শেষৰ বাৰ হাল বোৱাৰ সময়ত প্ৰয়োগ কৰি বাকী থকা ইউৰীয়াখিনি সমানে দুভাগ কৰি এভাগ ধানে পোখা মেলাৰ সময়ত (২৫-৩০ দিন) আৰু আনভাগ ধানে মণি ধৰাৰ সময়ত (৪৫-৫৫ দিন) প্ৰয়োগ (টপড্ৰেছিং) কৰিব লাগে। ইউৰীয়া সাৰ এনেকৈ ভাগ ভাগ কৰি প্ৰয়োগ কৰিলে গছে সাৰ লোৱাত সুবিধা হয়। টপড্ৰেছিং কৰাৰ পিছত সাৰখিনি মাটিত ভালদৰে মিহলি হোৱাকৈ নিৰণি যন্ত্ৰ চলাই দিব লাগে। এনে কৰিলে সাৰখিনি মাটিৰ লগত মিহলি হৈ যোৱাৰ উপৰিও অলাগতিয়াল বন-বাত নিয়ন্ত্ৰণ কৰিবলৈ সুবিধা হয়। মাটিত প্ৰয়োগ কৰা সাৰ বিভিন্ন উপায়ে অপচয় হয়। তাৰভিতৰত নীক্ষালন, জলপ্ৰবাহ, উদ্বায়ীভৱন আৰু জীৱাণুমূলক অপচয়ন উল্লেখযোগ্য। সাৰৰ এই অপচয় ৰোধ কৰিবৰ বাবে কৃষক ৰাইজে কিছুমান ব্যৱস্থা হাতত ল'ব পাৰে। যিবোৰ অঞ্চলত কৃষক ৰাইজে শাৰীবদ্ধ প্ৰণালীত ৰুইয়া নোৱাৰে অথচ সেইবোৰ অঞ্চলৰ খেতি পথাৰত পানী বেছিকৈ জমা হৈ থাকে সেইবোৰ ঠাইত সাৰ ছটিওৱাৰ পিছত নিৰণি যন্ত্ৰ চলাবলৈ অসুবিধা হয়। সেই পৰিপ্ৰেক্ষিতত

(৪ পৃষ্ঠাৰ ২ কলমত চাওক)

# কৃষিক্ষেত্ৰত নাইট্ৰ'জেন জাতীয় সাৰৰ সঠিক ব্যৱহাৰ

কৃষিৰ উৎপাদন বৃদ্ধিত ৰাসায়নিক সাৰ এক অপৰিহাৰ্য উপাদান। বৰ্তমান বিশ্বৰ মুঠ খাদ্যশস্য উৎপাদনৰ পঞ্চাশ শতাংশতকৈও অধিক অংশ সম্ভৱ হৈছে ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ বাবে। ভাৰতবৰ্ষৰ বৰ্দ্ধিত জনসংখ্যাৰ প্ৰয়োজন পূৰাবলৈ ২০৩০ চনলৈ বৰ্তমান ৩০০ নিযুত টনৰ বিপৰীতে ৩৫৫ নিযুত টন খাদ্যশস্য উৎপাদন কৰিব লাগিব। যিহেতু এই অতিৰিক্ত খাদ্যশস্য উৎপাদনৰ বাবে কৃষিভূমি সম্প্ৰসাৰণ সম্ভৱপৰ নহয়, সেয়েহে একে পৰিমাণৰ কৃষিভূমিতেই অধিক উৎপাদনৰ দ্বাৰাহে ই সম্ভৱ হ'ব আৰু এই ক্ষেত্ৰত ৰাসায়নিক সাৰে এক মুখ্য ভূমিকা পালন কৰিব লাগিব। ভাৰতবৰ্ষৰ কৃষিক্ষেত্ৰত ইউৰীয়া বা অন্যান্য নাইট্ৰ'জেন জাতীয় সাৰৰ ব্যৱহাৰেই সৰ্বাধিক। অন্যান্য ৰাসায়নিক সাৰৰ বিপৰীতে নাইট্ৰ'জেন জাতীয় সাৰৰ অত্যাধিক আৰু অবিজ্ঞানসন্মত ব্যৱহাৰে পৰিৱেশ আৰু জীৱজগতৰ প্ৰতি এক ভাবুকি হিচাবে দেখা দিয়াৰ উপক্ৰম হৈছে। শস্যত প্ৰয়োগ কৰা ৰাসায়নিক সাৰৰ এক মুখ্য অংশ অব্যৱহৃতভাৱে ৰৈ যায় আৰু ই প্ৰাকৃতিক সম্পদসমূহ যেনে মাটি, পানী আৰু বায়ু প্ৰদূষিত কৰাৰ লগতে মানুহৰ স্বাস্থ্যৰ প্ৰতিও ক্ষতিকাৰক হৈ পৰে। সেয়েহে ৰাসায়নিক সাৰ প্ৰয়োগৰ আগতে ইয়াৰ পৰা হ'ব পৰা সমস্যাসমূহ আৰু ইয়াৰ প্ৰতিকাৰ ব্যৱস্থা আৰু ৰাসায়নিক সাৰৰ সঠিক প্ৰয়োগ পদ্ধতিৰ জ্ঞান অতি জৰুৰী।

**নাইট্ৰ'জেন জাতীয় সাৰৰ ব্যৱহাৰে পৰিৱেশত সৃষ্টি কৰা সমস্যা ঃ**

নাইট্ৰ'জেন জাতীয় সাৰসমূহৰ কাৰ্যদক্ষতা কেৱল ৩০ ৰ পৰা ৫০ শতাংশ। অৰ্থাৎ এই সাৰসমূহ সহজে দ্ৰৱনীয় আৰু উদ্বায়ী হোৱাৰ বাবে প্ৰয়োগ কৰা সাৰৰ ৫০-৭০% ইশস্যই শোষণ কৰাৰ আগতেই বিভিন্ন উপায়েৰে পৰিৱেশত প্ৰৱেশ কৰি পৰিৱেশ দূষিত কৰি তোলে। নাইট্ৰ'জেন জাতীয় সাৰৰ পৰা সৃষ্টি হোৱা সমস্যাসমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে ভূগৰ্ভস্থ পানীৰ প্ৰদূষণ। এইসাৰসমূহ অতিকৈ দ্ৰৱনীয় হোৱাৰ বাবে ভূগৰ্ভস্থ পানীত সহজতে প্ৰৱেশ কৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে খোৱা পানীৰ প্ৰতি লিটাৰত ১০ মিলি গ্ৰামতকৈ অধিক নাইট্ৰেট থাকিলে ই খোৱাৰ বাবে অনুপযুক্ত। নাইট্ৰ'জেন জাতীয় সাৰৰ পৰা সৃষ্টি হোৱা আন এটা সমস্যা হৈছে ভূপৃষ্ঠৰ পানীৰ প্ৰদূষণ। শস্যত প্ৰয়োগ কৰা নাইট্ৰ'জেন জাতীয় সাৰৰ এক বুজন পৰিমাণ বোৱতী মাটি আৰু পানীৰ দ্বাৰা জলাশয় যেনে পুখুৰী, বিল, নৈ ইত্যাদিত প্ৰৱেশ কৰে। পানীত নাইট্ৰ'জেনৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত শেলাই, ভেঁকুৰ আৰু অন্যান্য জলজ উদ্ভিদৰ অত্যাধিক বৃদ্ধি হয়। ফলস্বৰূপে পানীত দ্ৰবীভূত অক্সিজেনৰ পৰিমাণ হ্ৰাস পায় আৰু মাছ তথা বিভিন্ন জলচৰপ্ৰাণীসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে।

জলসম্পদৰ উপৰিও নাইট্ৰ'জেন জাতীয় সাৰসমূহে বায়ুমণ্ডলতো যথেষ্ট প্ৰদূষণজনিত সমস্যাৰ সৃষ্টি কৰে। এইসাৰসমূহ অতি উদ্বায়ী আৰু এমোনিয়া, নাইট্ৰাছঅক্সাইড, নাইট্ৰিক অক্সাইড ইত্যাদি গেছলৈ পৰিৱৰ্তিত হৈ বায়ুমণ্ডলত প্ৰৱেশ কৰে। বায়ুমণ্ডলত এমোনিয়া গেছৰ পৰিমাণ বৃদ্ধি হ'লে অম্লবৃষ্টিৰ সমস্যাই দেখা দিব পাৰে। আনহাতে এই গেছসমূহে সূৰ্য্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মিৰ পৰা পৃথিৱীৰ জীৱজগতক ৰক্ষা কৰি থকা বায়ুমণ্ডলৰ অ'জন স্তৰৰ অনিষ্ট সাধন কৰি অ'জন বিন্ধাৰ সৃষ্টি কৰে। গোলকীয় উত্তাপ বৃদ্ধি বা সেউজগৃহ পৰিঘটনাৰ বাবেও এই গেছসমূহ যথেষ্ট জগৰীয়া। ইয়াৰ উপৰিও এই গেছসমূহে মানুহৰ শ্বাস-প্ৰশ্বাস জনিত ৰোগ আৰু চকু আৰু নাকৰ সমস্যাৰ সৃষ্টি কৰে বুলি প্ৰমাণিত হৈছে।

**নাইট্ৰ'জেন জাতীয় সাৰৰ অধিক ব্যৱহাৰৰ বাবে শস্যত সৃষ্টি হোৱা সমস্যা ঃ**

নাইট্ৰ'জেন জাতীয় সাৰৰ মাত্ৰাধিক ব্যৱহাৰে শস্যত সৃষ্টি কৰা সমস্যাসমূহ হৈছে-

১) শস্যৰ অযৌন বৃদ্ধি অধিক হয়, অৰ্থাৎ ডাল আৰু পাতৰ বৃদ্ধি অধিক হৈ ফুল বা ফলৰ উৎপাদন হ্ৰাস পায়।

২) গছবোৰ অধিক ৰসাল হয় আৰু ফলস্বৰূপে অনিষ্টকাৰী কীট-পতংগ আৰু ৰোগ-ব্যাধিৰ দ্বাৰা সহজে আক্ৰান্ত হয়।

৩) অধিক নাইট্ৰ'জেন জাতীয় সাৰ প্ৰয়োগ কৰা শস্যৰ কাণ্ডবোৰ কোমল হোৱাৰ বাবে সহজে ভাগি পৰে।

৪) শস্যৰ জীৱনকাল দীঘলীয়া হয়।

৫) উৎপন্ন শস্যৰ গুণগত মানদণ্ড নিম্নমানৰ হয়।

৬) চপোৱা ফল-মূল আৰু শাক-পাচলি অধিক দিন সংৰক্ষণ কৰি ৰাখিব নোৱাৰি।

৭) মাটিত থকা উপকাৰী অনুজীৱ আৰু কৃষকৰ বন্ধু বুলি পৰিচিত কেঁচুৰ সংখ্যা হ্ৰাসৰ ফলত মাটিৰ স্বাভাৱিক উৎপাদিকা শক্তি কমি আহে।

৮) অপতৃণৰ অধিক বৃদ্ধিয়ে শস্যৰ উৎপাদন হ্ৰাস কৰে।

ওপৰত উল্লেখিত কাৰণ সমূহৰ বাবে মাত্ৰাধিক আৰু অবিজ্ঞানসন্মত নাইট্ৰ'জেন জাতীয় সাৰ প্ৰয়োগৰ ফলত শস্যৰ উৎপাদন বৃদ্ধিৰ পৰিবৰ্তে হ্ৰাসহে হয় আৰু ৰাসায়নিক সাৰ প্ৰয়োগৰ প্ৰকৃত সুফল লাভৰ পৰা কৃষকসকল বঞ্চিত হয়। শস্যৰ উৎপাদনত নাইট্ৰ'জেন জাতীয় সাৰৰ ব্যৱহাৰ যিহেতু অপৰিহাৰ্য, গতিকে ইয়াৰ পৰা সৃষ্টি হোৱা সমস্যাসমূহ হ্ৰাস কৰিবলৈ চেষ্টা কৰাতো দৰকাৰ।

**নাইট্ৰ'জেন জাতীয় সাৰৰ উপযুক্ত ব্যৱহাৰ**

নাইট্ৰ'জেন জাতীয় সাৰ প্ৰয়োগ কৰাৰ সময়ত নিম্নলিখিত বিষয় কেইটাত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা উচিত-

১) ৰাসায়নিক সাৰৰ পৰিমাণ বঢ়াই গৈ থাকিলেই যিহেতু শস্যৰ উৎপাদন বাঢ়ি গৈ নাথাকে গতিকে ৰাসায়নিক সাৰৰ ন্যায় সংগত ব্যৱহাৰ কৰা উচিত।

২) যিহেতু সকলো মাটিত আৰু শস্যত প্ৰয়োগ কৰিবলগীয়া সাৰৰ পৰিমাণ একে নহয় গতিকে মাটি পৰীক্ষাৰ ওপৰত নিৰ্ভৰ কৰি শস্যৰ বাবে অনুমোদিত হাৰতহে সাৰ প্ৰয়োগ কৰা উচিত।

৩) উপযুক্ত সময়ত আৰু উপযুক্ত পদ্ধতিৰে সাৰ প্ৰয়োগ কৰা উচিত।

৪) সকলোখিনি নাইট্ৰ'জেন জাতীয় সাৰ একে সময়তে প্ৰয়োগ কৰাৰ বিপৰীতে শস্যৰ বিভিন্ন জীৱনকালত প্ৰয়োগ কৰিব লাগে। সাধাৰণতে আধা পৰিমাণৰ নাইট্ৰ'জেন জাতীয় সাৰ শস্য সিঁচা বা ৰোৱাৰ সময়ত আৰু অৱশিষ্ট অংশ কমদিনীয়া শস্যৰ ক্ষেত্ৰত এটা পৰ্যায়ত আৰু দীৰ্ঘদিনীয়া শস্যৰ ক্ষেত্ৰত দুটা পৰ্যায়ত প্ৰয়োগ কৰিব লাগে। বালিচহীয়া মাটিত নাইট্ৰ'জেন জাতীয় সাৰ তিনিটা পৰ্যায়ত যেনে এক তৃতীয়াংশ শস্য সিঁচা বা ৰোৱাৰ সময়ত, এক তৃতীয়াংশ শস্য সিঁচাৰ ৩০ দিনৰ পাছত আৰু বাকী এক তৃতীয়াংশ শস্য সিঁচাৰ ৫০-৬০ দিনৰ পিছত প্ৰয়োগ কৰিব লাগে।

৫) লাহেলাহে মুক্ত হোৱা নাইট্ৰ'জেন জাতীয় সাৰ যেনে গুটি ইউৰীয়া, নিমযুক্ত ইউৰীয়া ইত্যাদি ব্যৱহাৰ কৰিব লাগে।

৬) ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ পিছত সাৰখিনি ভালদৰে মাটিত মিহলি কৰিব লাগে।

৭) উপযুক্ত জলব্যৱস্থাপনাৰ দ্বাৰা ৰাসায়নিক সাৰৰ কাৰ্যদক্ষতা বৃদ্ধি কৰিব পাৰি।

৮) সাৰ প্ৰয়োগ কৰা পথাৰৰ ওপৰেদি পানী বৈ যাবলৈ দিব নালাগে।

৯) অপতৃণ নিয়ন্ত্ৰণৰ দ্বাৰা শস্যত প্ৰয়োগ কৰা সাৰৰ উপযুক্ত সুফল লাভ কৰিব পাৰি।

১০) শস্যক্ৰমত মাহজাতীয় শস্যৰ অন্তৰ্ভুক্তি কৰি নাইট্ৰ'জেন জাতীয় সাৰৰ ব্যৱহাৰ হ্ৰাস কৰিব পাৰি।

১১) ৰাসায়নিক সাৰৰ সঠিক ব্যৱহাৰ কৰিব পৰা উপযুক্ত জাতৰ শস্যৰ খেতি কৰিব লাগে।

১২) আম্লিক মাটিত চূণ প্ৰয়োগৰ দ্বাৰা প্ৰয়োগ কৰা ৰাসায়নিক সাৰৰ কাৰ্যদক্ষতা বৃদ্ধি কৰিব পাৰি।

১৩) কেৱল ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰ নকৰি জৈৱসাৰ বা পচনসাৰ আৰু উপযুক্ত জীৱাণুসাৰৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব লাগে। ইয়াৰ দ্বাৰা নাইট্ৰ'জেন জাতীয় সাৰৰ পৰিমাণ আধালৈ হ্ৰাস কৰিব পাৰি।

১৪) সেউজীয়া সাৰ যেনে ধনছা, শন, এজলা ইত্যাদি ব্যৱহাৰ কৰিও নাইট্ৰ'জেন জাতীয় সাৰৰ পৰিমাণ হ্ৰাস কৰিব পাৰি।

১৫) নাইট্ৰ'জেন জাতীয় সাৰ গছৰ পাতত কম গাঢ়তাত দ্ৰৱণ হিচাপেও 'স্প্ৰে' কৰিব পাৰি।

ৰাসায়নিক সাৰৰ বৰ্দ্ধিত মূল্য আৰু ইয়াৰ পৰিৱেশৰ প্ৰতি সৃষ্টি কৰা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি কৃষকসকলে ৰাসায়নিক সাৰৰ ওপৰত উল্লেখিত ব্যৱস্থাপনা সমূহত গুৰুত্ব আৰোপ কৰা উচিত। বিশেষকৈ নাইট্ৰ'জেন জাতীয় সাৰৰ উপযুক্ত ব্যৱহাৰৰ দ্বাৰাহে কৃষকসকল আৰ্থিকভাৱে লাভৱান হোৱাৰ উপৰিও ভূমি তথা প্ৰাকৃতিক সম্পদসমূহৰ অৱক্ষয় ৰোধ কৰিব পৰা যাব।

**ড° নীলিম কলিতা**

আমাৰ একাষাৰ

# পশুখাদ্য হিচাপে বেজিয়া মাহৰ খেতি

অসম এখন কৃষি প্ৰধান ৰাজ্য। কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমাৰ ৰাজ্যৰ অৰ্থনৈতিক বুনিয়াদ গঢ় লৈ উঠিছে। কৃষি অৰ্থনীতিৰ কথা ক'বলৈ যাওঁতে কৃষি, পশুপালন, মীন পালন আদি খণ্ডকে সামৰি লোৱা হয়। পশুপালনৰ দ্বাৰা অৰ্থনৈতিকভাৱে লাভৱান হ'বলৈ হ'লে পশুখাদ্যৰ উৎপাদনৰ ওপৰত অগ্ৰাধিকাৰ দিব লাগিব। এজনী খীৰতী গাই গৰুৰ পৰা আশা কৰা মতে গাখীৰ পাবলৈ হ'লে গাইজনীৰ বাবে প্ৰয়োজন হোৱা সেউজীয়া ঘাঁহ উৎপাদনত গুৰুত্ব দিব লাগিব।

যদিওবা পশুপালনৰ বাবে ঘাঁহৰ প্ৰয়োজন হয় তথাপি আমাৰ কৃষক ৰাইজে ঘাঁহ জাতীয় শস্যৰ কৃষিকাৰ্য্যত মনোনিবেশ কৰা দেখা নাযায়। ইয়াৰ মূল কাৰণসমূহ হৈছে-

ক) জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ ক্ষুধা নিবাৰণৰ বাবে খোৱা খাদ্যৰ যেনে - ধান, ঘেঁহু, তেল জাতীয় শস্য আৰু মাহজাতীয় শস্যৰ উৎপাদনত গুৰুত্ব দিব লগা হয়। সেয়েহে ঘাঁহজাতীয় শস্যৰ ক্ষেত্ৰত গুৰুত্ব কমি যোৱা পৰিলক্ষিত হয়।

খ) যিহেতু তেলজাতীয় আৰু মাহজাতীয় শস্য বাহিৰৰ পৰা আমদানি কৰিব লগা হৈছে, সেয়েহে এই দুবিধ শস্যৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লগা হৈছে আৰু ঘাঁহ উৎপাদনৰ বিষয়টি বাধাগ্ৰস্ত হৈছে।

গ) কৃষক ৰাইজে তেওঁলোকৰ সাৰুৱা মাটিত ঘাঁহজাতীয় শস্যৰ খেতি কৰিব নোখোজে বাবেও ঘাঁহ উৎপাদনৰ সীমাবদ্ধতা আহি পৰিছে।

আমাৰ ৰাজ্যত দুগ্ধ উৎপাদন বা পশুপালনৰ খণ্ডটি আগুৱাই নিবলৈ হ'লে কৃষকসকলে বিভিন্ন ঘাঁহজাতীয় শস্যৰ খেতি কৰিবই লাগিব। বিভিন্ন ঘাঁহজাতীয় শস্যৰ ভিতৰত বেজিয়ামাহ বা ৰাইচ বিন এবিধ অন্যতম ঘাঁহজাতীয় শস্য। যাৰ উন্নত কৃষি প্ৰণালী অৱলম্বনৰ দ্বাৰা আমাৰ কৃষক ৰাইজ যথেষ্ট উপকৃত হোৱাৰ সম্ভাৱনা আছে।

**১) জাত নিৰ্বাচন ঃ** বেজিয়া মাহ ঘাঁহজাতীয় শস্য হিচাপে কৰিবলৈ লোৱাৰ সময়ত চকু দিবলগীয়া কথাটো হৈছে আমাৰ ৰাজ্যৰ মাটি, পানী, জলবায়ুৰ উপযোগী জাত নিৰ্বাচন কৰাটো। অসমৰ জলবায়ুৰ উপযোগী বেজিয়ামাহৰ জাত হৈছে আৰ.বি.এল-৪, আৰ.বি.এল-৫ আৰু বেজিয়ামাহ। বেজিয়া মাহৰ এটা বিশেষত্ব এয়ে যে কাওপিতকৈ ই বেছি খৰাং সহ্য কৰিব পাৰে আৰু অনুৰ্বৰা মাটিতো ইয়াৰ খেতি কৰিব পৰা যায়।

**২) মাটি নিৰ্বাচন ও প্ৰস্তুতি ঃ** পানী সহজে ওলাই যাব পৰা মাটি নিৰ্বাচন কৰিব লাগে। কম আলতীয়া বা বালিচহীয়া দুইবিধ মাটিতে বেজিয়া মাহৰ খেতি কৰিব পৰা যায়। বালিচহীয়া মাটি হ'লে গোবৰ বা পচন সাৰ যথেষ্ট পৰিমাণে প্ৰয়োগ কৰিব লাগে। বেজিয়া মাহৰ খেতি কৰিব খোজা মাটিডৰা ২-৩ বাৰ হালবাই মৈয়াই সমান কৰি ল'ব লাগে। মাটি প্ৰস্তুতিৰ সময়তে পৰ্য্যাপ্ত পৰিমাণে জৈৱিক সাৰ প্ৰয়োগ কৰিলে সুফল পোৱা যায়। বন-বাত সম্পূৰ্ণৰূপে গুছাই পেলাব লাগে।

**৩) গুটি সিঁচাৰ সময় ঃ** ঘাঁহ শস্য হিচাপে বেজিয়া মাহৰ খেতি কৰিবলৈ হ'লে গুটি সিঁচাৰ উত্তম সময় হৈছে এপ্ৰিলৰ পৰা আগষ্ট মাহ। বিঘাই প্ৰতি ৩ কিঃগ্ৰাঃ বীজ সিঁচিলেই যথেষ্ট।

**৪) সিঁচা পদ্ধতি ঃ** বহুসময়ত কৃষকে বেজিয়া মাহ এনেয়ে সিঁচি দিয়ে। গুটি এনেয়ে সিঁচি দিলে গুটিৰ প্ৰয়োজন বেছি হয়। শাৰীবদ্ধ প্ৰণালীত সীৰলু বনাই বা গুটি সিঁচা যন্ত্ৰৰ সহায়তো গুটি সিঁচিব পৰা যায়। শাৰীবদ্ধ প্ৰণালীত গুটি সিঁচিলে কম বীজৰ প্ৰয়োজন হয় আৰু বন-বাত নিৰণি কৰিবলৈ সুবিধা হয়। বেজিয়ামাহ শাৰীবদ্ধ প্ৰণালীত সিঁচিলে দুটা শাৰীৰ মাজত ৩৫ ছেঃমিঃ আৰু দুডাল গছৰ মাজত ১০ ছেঃমিঃ ব্যৱধানত সিঁচিব লাগে।

**৫) সাৰ প্ৰয়োগ ঃ** মাটি প্ৰস্তুতিৰ সময়তে যথেষ্ট পৰিমাণে জৈৱিক সাৰ যেনে গোবৰ বা পচন সাৰ প্ৰয়োগ কৰিব লাগে। যিহেতু শস্যৰ পৰিপুষ্টি সাধনৰ বাবে খাদ্যৰ প্ৰয়োজন সেয়েহে জৈৱিক সাৰৰ উপৰিও বেজিয়া মাহক ৰাসায়নিক সাৰৰো প্ৰয়োজন হয়। বেজিয়া মাহৰ ক্ষেত্ৰত ইউৰীয়া প্ৰতি বিঘাত ৬ কিঃগ্ৰাঃ, একক চুপাৰ ফচফেট ৩৫ কিঃগ্ৰাঃ আৰু মিউৰেট অৱ পটাছ ৫ কিঃগ্ৰাঃ প্ৰয়োগ কৰিব লাগে।

**৬) ঘাঁহ কটা ঃ** বেজিয়া মাহ সিঁচাৰ ৭৫ দিনৰ পাছত অৰ্থাৎ ৫০ শতাংশ ফুল ধৰাৰ সময়তে কাটি গৰু-গাইক খুৱাব পৰা যায়।

**৭) উৎপাদন ঃ** বেজিয়া মাহৰ পৰা প্ৰতি বিঘাত ২০০ ৰ পৰা ২৫০ কুইণ্টল পৰ্য্যন্ত ঘাঁহ উৎপাদন কৰিব পাৰি।

**ড° ৰণজিৎ কুমাৰ সাউদ**

# মাহটোৰ কৃষিকৰ্ম্ম

**১৬ শাওণৰ পৰা ১৫ ভাদ, ১৯৪৫ শক**

## পথাৰ শস্য

**শেহতীয়া শালিধান ঃ**

**জাত ঃ** বানপীড়িত অঞ্চলৰ খেতিয়ক সকলে শালিধানৰ বুঢ়া কঠীয়া (৬০ দিনীয়া) যেনে ঃ মনোহৰ শালি, বিৰাজ, শ'লপোনা, এন্দ্ৰেুশালি আদি অন্যান্য থলুৱা জাতৰ সঁচ ভাদৰ পৰা আহিনলৈকে ৰুব পাৰি। প্ৰসাদ ভোগ আৰু গোবিন্দ ভোগ বুঢ়া কঠীয়া (৬০ দিনীয়া) ভাদৰ তৃতীয় সপ্তাহলৈকে ৰুব পাৰি। সত্য, বসুন্ধৰাৰ কঠীয়া (৩০-৩৫ দিনীয়া) ভাদৰ মাজ ভাগলৈকে ৰুব পাৰি।

লুইত, কপিলী, দিচাং আৰু সোণামুখীৰ কঠীয়া (২১-২৫ দিনীয়া) ভাদৰ শেহলৈকে ৰুব পাৰি। এই কেইবিধ জাত কঠীয়া সিঁচাৰ দৰে গজালি উলিয়াই বোকা মাটিত ভাদৰ ২৫ তাৰিখলৈকে সিঁচিও কৰিব পাৰি।

**সাৰ প্ৰয়োগ ঃ** যি সকল খেতিয়কে কঠীয়া ৰোৱাৰ সময়ত প্ৰাথমিক সাৰ ব্যৱহাৰ কৰিব পৰা নাই তেখেতসকলে ৰোৱাৰ ২০-২৫ দিনৰ ভিতৰত প্ৰতি বিঘা তলীত ৫ কিঃ গ্ৰাঃকৈ ইউৰীয়া টপ ড্ৰেছিং হিচাপে প্ৰয়োগ কৰি মাটিৰ লগত মিহলাই দিব। যিসকলে সোণামুখী আৰু হীৰা (বৰাক উপত্যকাৰ বাবে) বা সত্যৰঞ্জন, লুইত, কপিলী জাতৰ হ্ৰস্বম্যাদী ধানৰ অঙ্কুৰিত বীজ পোনে পোনে পথাৰত সিঁচি শেহতীয়াভাবে শালি খেতি কৰিছে আৰু বীজ সিঁচাৰ সময়ত সাৰ ব্যৱহাৰ কৰিব পৰা নাই, তেখেতসকলে বীজ সিঁচাৰ ১৫-২০ দিনৰ ভিতৰত প্ৰতি বিঘাত ৫ কিঃ গ্ৰাঃকৈ ইউৰীয়া টপ ড্ৰেছিং হিচাপে প্ৰয়োগ কৰিব। সাৰখিনি প্ৰয়োগ কৰাৰ আগেয়ে এগুণ ইউৰীয়াৰ লগত ১০ গুণ গোবৰ নাইবা পচন সাৰ মিহলাই ৪৮ ঘণ্টাৰ সময় গাপ দি লব।

বান আক্ৰান্ত অঞ্চলত শেহতীয়া শালি খেতি কৰিলে একেবাৰতে সাৰ প্ৰয়োগ কৰিব পাৰিলে ভাল। তেনে কৰিলে থলুৱা জাতৰ ক্ষেত্ৰত ইউৰীয়া ৬ কিঃ গ্ৰাঃ, চুপাৰ ফচফেট ৯ কিঃগ্ৰাঃ আৰু মিউৰিয়েট অৱ পটাছ ৪ কিঃ গ্ৰাঃ শেহৰ চাহ হাল বাওতে মিহলি কৰি দিব।

উন্নত কম দিনীয়া জাতৰ ক্ষেত্ৰত ১২ কিঃ গ্ৰাঃ ইউৰীয়া, ১৭ কিঃ গ্ৰাঃ চুপাৰ ফচফেট আৰু ৪ কিঃ গ্ৰাঃ মিউৰিয়েট অৱ পটাছ শেহৰ চাহ হাল বাওতে মাটিত প্ৰয়োগ কৰিব। এনে কৰিলে টপড্ৰেছিং কৰাৰ প্ৰয়োজন নহয়, কাৰণ ধান ফুলিবলৈ বেছি দিন নাপায়।

**বিশেষ মন কৰিবলগীয়া ঃ**

চৰহা আৰু গান্ধীপোকৰ নিবাৰণৰ ক্ষেত্ৰত গোটেই পথাৰখনত সমূহীয়াভাৱে ঔষধ ছটিওৱাৰ ব্যৱস্থা কৰিব লাগে। নহলে ঔষধ প্ৰয়োগ নকৰা পথাৰলৈ পোকবিলাক বিয়পি পৰি ওচৰৰ পথাৰবিলাকতো অনিষ্ট সাধন কৰিব। পথাৰত পোকৰ আবিৰ্ভাৱ হোৱাৰ লগে লগে শস্য ৰক্ষাৰ ব্যৱস্থাসমূহ অৱলম্বন কৰা উচিত।

**যান্ত্ৰিক পদ্ধতিৰে পোক নিয়ন্ত্ৰণ ঃ**

গধূলি সময়ত পথাৰৰ মাজে মাজে জোৰ বা ভোত বাতি জ্বলাই যান্ত্ৰিক পদ্ধতিৰে চৰহা আৰু গান্ধী জাতীয় পোকবিলাক ধ্বংস কৰিব পাৰি। ইয়াৰ উপৰিও এখন বহল ডাঙৰ থালত পানী ভৰাই তাত অলপ কেৰাচিন তেল ঢালি তাৰ ওপৰত এটা চাকি বা পেট্ৰোমাক্স লাইট জ্বলাই পোকবিলাক তাত পৰিবলৈ দি মাৰিব পাৰি। ইয়াৰ উপৰিও বেলি ডুব যোৱাৰ সময়ত পোকবিলাক জাক পাতি উৰোতে পোক ধৰা জাল বা মোনাৰে ধৰি ঔষধৰ মিশ্ৰণত ডুবাই মাৰিব পাৰি। এনেধৰণৰ জাল বা মোনা পুৰণি আঠুৱা বা পাতল কাপোৰেৰে তৈয়াৰ কৰি হাত মাৰি এডাল লগাই ঘৰতে তৈয়াৰ কৰি লব পাৰি।

**(ক) বিশেষ প্ৰতিপালন ঃ** পোক-পতঙ্গৰ দ্বাৰা আক্ৰান্ত পথাৰত ঔষধ ছটিওৱাৰ পিছত বিঘাই প্ৰতি ৫ কিঃ গ্ৰামকৈ ইউৰীয়া টপড্ৰেছিং কৰিলে ধাননিডৰা সোনকালে সৱল হৈ ঠন ধৰি উঠাত সহায়ক হয়। ইয়াৰ পৰিবৰ্ত্তে প্ৰতি লিটাৰ পানীত ৪০ গ্ৰাম হিচাপে ইউৰীয়া মিহলাই ঔষধৰ সৈতে একেলগে স্প্ৰে কৰিও সুফল পাব পাৰি।

**(খ) বেমাৰ নিবাৰণ ঃ**

১) পাতজ্বলা বেমাৰ প্ৰতিৰোধী জাত যেনে - মনোহৰ শালি, প্ৰসাদ, আই আৰ-৩৬ বা পঙ্কজ ধান ৰোৱক।

২) পৰাপক্ষত বীজ সিঁচাৰ আগতে ঔষধেৰে শোধন কৰি লব।

**পাত দেই যোৱা ঃ** পৰাপক্ষত পাতজ্বলা প্ৰতিৰোধ জাত যেনে - লখিমী আৰু মাচুৰীৰ খেতি কৰক।

**বাকানী বেমাৰ ঃ**

১) বাকানী বেমাৰ হোৱা অঞ্চলত কাৰবেনদেজিম বা থাইঅফিনেট ঔষধৰ ১ চাহ চামোচ প্ৰতি কিলো বীজৰ হিচাপত মিহলাই ২৪ ঘণ্টাৰ বাবে ৰাখি দিলে এই বেমাৰ নিয়ন্ত্ৰণ হয়।

**বিশেষ সাৱধানতা ঃ**

পাত আৰু ঠাৰি গেলা বেমাৰে দেখা দিলে ইউৰীয়া নাইবা অন্য নাইট্ৰজেনযুক্ত সাৰ প্ৰয়োগ কৰিলে বেমাৰৰ মাত্ৰা বেছি হয়। তাৰ পৰিবৰ্ত্তে প্ৰতিবিঘা তলীত ৩ কিঃগ্ৰাঃ মিউৰিয়েট অৱ পটাছ ছটিয়াই দিলে সোনকালে বেমাৰৰ পৰা আৰোগ্য হোৱাত সহায়ক হয়।

**কুঁহিয়াৰ**

শৰতকালীন কুঁহিয়াৰ অক্টোবৰ মাহৰ ভিতৰতে ৰুব। এই সময়ত ৰোৱা কুঁহিয়াৰৰ উৎপাদন বসন্তকালত ৰোৱা কুঁহিয়াৰতকৈ বেছি হয়।

**শস্য ৰক্ষা ঃ**

গা-গছ বিন্ধোৱা পোকৰ আক্ৰমণ হলে আক্ৰমণ হোৱা গছবোৰ উঠাই পুতি দিব নহ'লে পুৰি পেলাব।

**গছ বন্ধা ঃ**

গছবিলাক বতাহত হালি নপৰিবলৈ বাহৰ কামিৰে বান্ধি দিব নাইবা ৪-৫ দালকৈ গছ একগোট কৰি পাতেৰে মেৰিয়াই বান্ধি দিব।

**মগু আৰু মাটিমাহ ঃ**

**সিঁচাৰ সময় ঃ** গোটেই ভাদ মাহ জুৰি মগু আৰু মাটিমাহৰ বীজ সিঁচিব পাৰি। ইয়াৰ বাবে বালিচঁহীয়া পলসুৱা মাটিৰ আৱশ্যক।

**অনুমোদিত জাত ঃ** অসমৰ জলবায়ুৰ বাবে অনুমোদিত জাত কেইটা হ'ল - টি ৪৪, কপাৰ গাঁও, কে - ৮৫১, এম এল ৫৬, ১৩১ আৰু এছ জি - ১।

মাটিমাহৰ অনুমোদিত জাত কেইটা হ'ল - টি ৯, পি ইউ ১৯, টি ১২২ আৰু টি ২৭। মধ্য অসম আৰু উজনি অসমৰ জিলা কেইখনৰ বাবে অনুমোদিত শাওনীয়া মাহ (এচ বি ১২১) জাতৰ বীজ শাওন মাহৰ ভিতৰতে সিঁচিব লাগে।

**বীজৰ পৰিমাণ ঃ** এবিঘা মাটিত সিঁচিবৰ বাবে মগু মাহৰ ২.৫-৩.০ কিঃ গ্ৰাঃ আৰু মাটিমাহৰ ২.৭-৩.৩ কিঃ গ্ৰাঃ বীজৰ প্ৰয়োজন। ছটিয়াই সিঁচিবলৈ হলে উভয়ৰ ক্ষেত্ৰতে ৩০০ গ্ৰাম বীজ সৰহকৈ লব লাগে।

**মাটি তৈয়াৰী বা প্ৰস্তুত ঃ**

মগু আৰু মাটিমাহৰ খেতিৰ বাবে মাটিডৰা মিহিকৈ তৈয়াৰ কৰাৰ প্ৰয়োজন নাই। দুই তিনিবাৰ হালবাই মৈয়াই বন-বাতবিলাক গুচাই তলীডৰা সমান কৰি লব। মাটি তৈয়াৰ কৰাৰ পিছত পথাৰৰ পৰা অতিৰিক্ত পানী সোনকালে ওলাই যাবৰ বাবে মাজে মাজে সৰুকৈ খাল খান্দি দিব।

**মাটি শোধন আৰু সাৰ প্ৰয়োগ ঃ**

মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি ৫ কুইণ্টলকৈ গোবৰ বা পচন সাৰ ছটিয়াই মাটিৰ লগত মিহলাই দিব।

*(৪ পৃষ্ঠাৰ ১ কলমত চাওক)*

(৩ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## পথাৰ শস্য

মাটিখিনি যদি অম্লযুক্ত হয়, তেন্তে বিঘাই প্ৰতি ১.৫-২.০ কুইন্টল চুণ প্ৰয়োগ কৰি ল'লে মাহৰ উৎপাদন বৃদ্ধি হয়। বীজ সিঁচাৰ আগতে এবিঘা মাটিত ৪ কিঃ গ্ৰাম ইউৰীয়া আৰু ৩০ কিঃ গ্ৰাম চুপাৰ ফচফেট প্ৰয়োগ কৰি মাটিৰ লগত মিহলাই লব।

**জীৱাণু সাৰ প্ৰয়োগ আৰু বীজ সিঁচা ঃ**

সিঁচাৰ আগতে বীজখিনিত ৰাইজ'বিয়াম জীৱাণুসাৰ মিহলাই ললে নাইট্ৰ'জেনযুক্ত সাৰৰ পৰিমাণ ১ কিঃ গ্ৰাঃ কমাই দিব পাৰি। ইয়াৰ বাবে উপযুক্ত জীৱাণুসাৰ ১৫০ গ্ৰাম (১ পেকেট) ৩-৪ কিঃ গ্ৰাঃ বীজৰ লগত সিঁচাৰ আগতে ভালদৰে মিহলাই লব। বীজ সিঁচিবৰ বাবে তলীডৰাত ৩০ চেঃ মিঃ আঁতৰে আঁতৰে সৰু লোৰ কৰি তাত সমানে বীজ সিঁচি মাটিৰে পাতলকৈ ঢাকি দিব।

**ড° ৰণজিৎ কুমাৰ সাউদ**

## উদ্যান শস্য

ভাদ মাহত অসমৰ মাটি আৰু জলবায়ু সাপেক্ষে হোৱা ফলমূল গছবোৰৰ লবলগা প্ৰতিপালনবোৰ এনেধৰণৰ -

**কল ঃ** বৰ্তমান সময়ত হৈ থকা বৰষুণৰ বাবে কল গছৰ গুৰিৰ পৰা অতিৰিক্ত পানী ভাগ সহজে ওলাই যাব পৰাকৈ মাজে মাজে সৰু সৰু নলাৰ ব্যৱস্থা কৰক। গছত থকা পচা পটুৱাবোৰ কাটি দিয়ক। বহাগ মাহত ৰোপন কৰা কলৰ পুলিবিলাকত অনুমোদিত পৰিমাণৰ দ্বিতীয় ভাগ ইউৰীয়া (১২০ গ্ৰাম) আৰু মিউৰিয়েট অব পটাছ (২২৫ গ্ৰাম) গোবৰৰ লগত মিহলাই মাটিত প্ৰয়োগ কৰক। কিন্তু জেঠ-আহাৰ মাহত ৰোপন কৰা কলৰ পুলিবিলাকত অনুমোদিত সাৰৰ প্ৰথম ভাগ ইউৰীয়া (১২০ গ্ৰাম), একক চুপাৰ ফচফেট (২০০ গ্ৰাম) আৰু মিউৰিয়েট অব পটাছ সাৰ (২২৫ গ্ৰাম) গোবৰৰ লগত মিহলাই মাটিত প্ৰয়োগ কৰক। পুৰণি কলগছত যদি কলডিল ওলাইছে তেন্তে মাতৃ গছৰ গুৰিত মাত্ৰ এটা পোখা পুলি ৰাখি বাকীবোৰ আঁতৰাই দিয়ক। গছত কলডিল ওলোৱাৰ সময়ত ০.২ শতাংশ শক্তিৰ একালক্স নামৰ ঔষধৰ মিশ্ৰণ নতুনকৈ ওলোৱা কলৰ থোকাটোত আৰু ওচৰত থকা কলৰ পুলিৰ কোমল পাতৰ ঠোৰত ঢালি দিয়ক।

**মাটি কঠাল ঃ** মাটি কঠালৰ শেহতীয়া সঁচ 'কিউ' জাতৰ পুৰঠ পকা ফলবোৰ চপাই আনক। ফল চপোৱাৰ পিছত দলিয়াই পেলোৱা মুকুত অংশ গোটাই আনি ওখ জেকা মাটিত থোপা থোপাকৈ পুতি ৰাখক। ফল চপোৱাৰ পিচত মূল গছত মাত্ৰ এটা পোখা পুলি ৰাখি বাকীবোৰ আঁতৰাই দিয়ক। যদি সম্ভৱ হয় তেন্তে পোখা পুলিৰ গুৰিত অলপ মাটি চপাই দিয়ক। মাটি কঠালৰ বাৰীডৰাত পাত গেলা বেমাৰ হৈছেনেকি লক্ষ্য কৰক। যদি হৈছে তেন্তে দশমিক দুই শতাংশ শক্তিৰ ইন্দোফিল এম ৪৫ মিশ্ৰণ ছটিয়াই দিয়ক। পুৰণি বাৰীৰ পৰা আঁতৰাই দিয়া পোখা পুলিবিলাকেৰে যদি নতুনকৈ মাটি কঠালৰ বাৰী পাতিব বিচাৰিছে তেন্তে পুলিবোৰ দুশাৰীয়া পদ্ধতিত ৰোপন কৰক। অৰ্থাৎ দুটা শাৰীৰ মাজত ব্যৱধান ৬০ ছেঃমিঃ প্ৰতিটো শাৰীত দুটা পুলিৰ মাজত ৩০ ছেঃমিঃ ব্যৱধান ৰাখি পুলি ৰোপন কৰক। কিন্তু প্ৰত্যেক দুটা দুটা শাৰীৰ মাজত ব্যৱধান ৯০ ছেঃমিঃ ৰাখক।

**ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস**
(অৱসৰী অধ্যাপক, অঃকৃঃবিঃ)

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## শালিখেতিত বিজ্ঞানসন্মত ...

ইউৰীয়া সাৰখিনি 'নিমিন'ৰ (বজাৰত সহজে পোৱা যায়) লগত ভালদৰে মিহলি কৰি প্ৰয়োগ কৰিব লাগে। এক কিঃগ্ৰাঃ পৰিমাণৰ ইউৰীয়াৰ লগত দুচামোচ 'নিমিন' ভালদৰে মিহলাই লৈ প্ৰয়োগ কৰিলে ইউৰীয়া সাৰৰ অপচয় বহু পৰিমাণে কমে। টপড্ৰেছিং কৰিব লগা ইউৰীয়া সাৰখিনি দহ গুণ পচন সাৰ বা সেমেকা মাটিৰ লগত মিহলাই ৪৮ ঘন্টা গাপ দি প্ৰয়োগ কৰিও অপচয় কমাব পাৰি। যিবোৰ অঞ্চলত পানী জমা হৈ থাকে সেইবোৰ অঞ্চলত টপড্ৰেছিং কৰাটো অসুবিধা। সেয়েহে সেইবোৰ অঞ্চলত সমুদায় সাৰ ৰোৱাৰ সময়ত প্ৰয়োগ কৰিব লাগে। বানপানীৰ পিছত পলমকৈ কৰা শালিখেতিতো সাৰৰ সমুদায় অংশ ধান ৰোৱাৰ সময়তে প্ৰয়োগ কৰাতো প্ৰয়োজনীয়। যিবোৰ অঞ্চলত আহু আৰু শালিধানৰ দুতৰপীয়া খেতি কৰা হয়, সেইবোৰ অঞ্চলত আহুধান চপোৱাৰ পিছত ৰৈ যোৱা নৰাখিনি মাটিত মিহলাই দি নাইট্ৰ'জেনযুক্ত সাৰৰ ব্যৱহাৰ শতকৰা ২৫ ভাগ কমাব পাৰি। নৰাখিনি পচিবৰ বাবে বিঘাই প্ৰতি ২ কিঃগ্ৰাঃ ইউৰীয়া সাৰ ব্যৱহাৰ কৰিব পাৰি আৰু এইখিনি সমুদায় সাৰৰ পৰা পিছত বাদ দিব লাগে।

অধিক বৰষুণ হোৱা অসমৰ মাটিত বহুৰি কেইবাটাও খেতি কৰাৰ ফলত 'জিংক' নামৰ মৌলিক উপাদানবিধ খেতি পথাৰৰ পৰা ক্ৰমান্বয়ে হ্ৰাস পাই যোৱা পৰিলক্ষিত হৈছে। গৱেষণাৰ পৰা দেখা গৈছে যে অসমৰ ২০ ৰ পৰা ৪৭ শতাংশ কৃষিভূমিত শস্যই সহজে গ্ৰহণ কৰিব পৰা 'জিংক'ৰ পৰিমাণ বৰ্তমান গৃহীত 'ক্ৰিতিকেল লেভেল'তকৈ কম আৰু আনবিলাক জিলাত 'জিংক'ৰ পৰিমাণ ২০ ৰ পৰা ২৯ শতাংশ খেতিৰ মাটিত কম দেখা গৈছে। তাৰ ভিতৰত অবিভক্ত নগাওঁ আৰু গোৱালপাৰা জিলাৰ মাটিত জিংকৰ পৰিমাণ সবাতোতকৈ কম। সেই হেতুকে 'জিংক' নামৰ মৌলিক সাৰবিধ প্ৰয়োগ কৰি প্ৰায় সকলো অঞ্চলতে শালিখেতিৰ উৎপাদন বঢ়াব পৰা যায়।

বিজ্ঞানসন্মত কৃষি প্ৰণালী অৱলম্বনৰ দ্বাৰা শালিখেতিৰ উৎপাদন আশানুৰূপভাৱে বৃদ্ধি কৰিব পাৰি। সময়মতে উন্নত বীজ, ৰাসায়নিক সাৰ, দৰৱ, কৃষি সা-সঁজুলি, কৃষি ঋণ আদিৰ ব্যৱস্থা কৰিব পাৰিলে আমাৰ যুৱশক্তি সন্মানজনক কৃষিবৃত্তিৰ প্ৰতি আকৰ্ষিত কৰিব পৰা হ'ব। তাৰোপৰি, উপযুক্ত কৃষি সম্প্ৰসাৰণ ব্যৱস্থাৰ দ্বাৰা শেহতীয়া কৃষি প্ৰযুক্তি কৌশলসমূহ কৃষকৰ পথাৰলৈ নিয়াত গুৰুত্ব দিয়া উচিত। এই ক্ষেত্ৰত চৰকাৰ আৰু পথাৰ পৰিচালনা সমিতিসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

**ড° ৰণজিৎ কুমাৰ সাউদ**

(১ পৃষ্ঠাৰ ৩ কলমৰ পৰা)

## অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য.

কৰাৰ লগতে অসমৰ বীজ উৎপাদন ক্ষেত্ৰখনিৰ এটা আভাস দাঙি ধৰে। প্ৰায় ৭০ জন প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা সভাখনিত কৃষি বিজ্ঞান কেন্দ্ৰ নগাওঁ, মৰিগাওঁ, কামৰূপ, কোক্ৰাঝাৰৰ মুৰব্বী বিষয়া, গৱেষণা প্ৰতিষ্ঠান শিলঙনী আৰু কৰিমগঞ্জৰ বিজ্ঞানী, অসম চৰকাৰৰ কৃষি বিভাগৰ বিষয়া, অসমৰ বিভিন্ন জিলাৰ বীজ উৎপাদনৰ লগত জড়িত থকা কৃষক উৎপাদক কোম্পানীৰ সদস্য আৰু বীজ উৎপাদকসকলে অংশ গ্ৰহণ কৰে। সভাখনিত পিনাকুল ইণ্টাৰনেশ্যনেল কোম্পানীৰ অবিনাশ ৰাঘ আৰু ইন্দচাত' কোম্পানীৰ ড° বিনোদ কালবান্দে সমল ব্যক্তি হিচাপে বীজৰ সাঁচি ৰখা ব্যৱস্থাপনা আৰু বীজ প্ৰক্ৰিয়াকৰণৰ ওপৰত বিতংভাৱে অনলাইন প্ৰেজেণ্টেশ্যনৰ যোগেদি বৰ্ণনা কৰে। সভাখনিত কৃষক উৎপাদক কোম্পানীৰ সদস্যসকলে বীজ উৎপাদনত পোৱা সমস্যাবোৰ দাঙি ধৰাৰ লগতে বিজ্ঞানীসকলে বিতংভাৱে আঁসোৱাহসমূহ দূৰ কৰাৰ উপায় বৰ্ণনা কৰে। সদৌশেষত এপাৰ্ট প্ৰকল্পৰ সহকাৰী নডেল বিষয়া ড° দেবানন্দ দাসে সভাত অংশ গ্ৰহণ কৰা সকলো প্ৰতিনিধিলৈ শলাগৰ শৰাই আগবঢ়ায়।

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## ৰাজ্যিক এন এছ এছ বঁটাত ..

উপাসনা শৰ্মা ৰাজ্যিক বঁটাৰ বাবে নিৰ্বাচিত হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ উৰ্দ্ধতম কৰ্তৃপক্ষৰ লগতে এন এছ এছ গোটৰ প্ৰকল্প সমন্বয়ক ড° ৰাণা প্ৰতাপ ভূএঞাই এনে সাফল্যত সন্তোষ প্ৰকাশ কৰে। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে আয়োজন কৰিবলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অন্যান্য মহাবিদ্যালয়ৰ নিৰ্বাচিত সদস্যৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ সদস্য দুগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব।

### শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত

# জামুগুৰিহাটৰ কলবস্তিত কৃষি প্ৰশিক্ষণ সম্পন্ন

যোৱা ২৮ জুন তাৰিখে শোণিতপুৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত জামুগুৰিহাটৰ কলবস্তিত এক কৃষি প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হয়। প্ৰশিক্ষণ শিবিৰটো উদ্বোধন কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। উদ্বোধনী ভাষণত বিধায়ক গৰাকীয়ে কয় যে কৃষি বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে কৃষকৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ই এক উচিত পদক্ষেপ। কম্বাইন হাৰ্ভেষ্টাৰৰ জৰিয়তে ধান কটা আৰু মৰণা মৰা প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৃষি বিজ্ঞানী আৰু বিষয়াসকল গাঁৱলৈ অহাটো শুভ লক্ষণ। মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীয়ে উৎপাদনমুখী যাত্ৰা শক্তিশালী কৰাৰ লগতে বজাৰ দখলতো গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰিছে। কিন্তু পথাৰত উৎপাদন হ'লেহে বজাৰ দখল কৰিব পৰা যাব। সেয়ে বিজ্ঞানসন্মতভাৱে কৃষিকৰ্ম কৰাৰ বাবে সকলো কৃষি সঁজুলি চৰকাৰ তথা কৃষি বিভাগে যোগান ধৰিছে। এই কৃষি প্ৰশিক্ষণৰ জৰিয়তে কৃষকসকল নিশ্চিতভাৱে উপকৃত হ'ব। এই অঞ্চলত ধানখেতিৰ লগতে আন আন খেতিসমূহো কৰিব পাৰিব। কৃষকসকল সংগঠিত ৰূপত আগবাঢ়ি আহিব লাগিব। প্ৰশিক্ষণ শিবিৰত মেচিনৰ জৰিয়তে কেনেকৈ ধান কটা আৰু মৰা হয়, সেই বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণ শিবিৰত শোণিতপুৰ জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী প্ৰমুখ্যে জ্যেষ্ঠ কৃষি সম্প্ৰসাৰণ বিষয়া ড° খনীন্দ্ৰ বৰ্মন, কৃষি বিজ্ঞানী বিবেক কুমাৰ, নমিতা দত্ত, কৃষি সম্প্ৰসাৰণ বিষয়া দিব্যজ্যোতি নাথ, শস্য সমৰক্ষণ বিষয়া মুনমুন বসুমতাৰী আদিয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ শিবিৰত নদুৱাৰ অঞ্চলটোৰ অৰ্ধশতাধিক কৃষকে প্ৰশিক্ষণ গ্ৰহণ কৰে।

## কাঠফুলাৰ খেতি আৰু বিপণনৰ প্ৰশিক্ষণ সম্পন্ন

যোৱা ২৮ জুন তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ সামৰ্থ বিকাশ কাৰ্যসূচীৰ অধীনত উত্তৰ-পশ্চিম যোৰহাটত 'খাদ্য কাঠফুলাৰ খেতি আৰু বিপণন' শীৰ্ষক এটি এদিনীয়া প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হৈ যায়। উত্তৰ-পশ্চিম যোৰহাট কৃষক উৎপাদক কোম্পানীৰ সহযোগত আয়োজিত এই প্ৰশিক্ষণত অঞ্চলটোৰ ৩৫ গৰাকী উদ্যোগী মহিলাক প্ৰশিক্ষণ প্ৰদান কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ ক্লাষ্টাৰভিত্তিক ব্যৱসায়িক সংস্থা কৰ্মসূচীৰ অধীনত আয়োজিত এই প্ৰশিক্ষণত অসম কৃষি বিশ্ববিদ্যালয়ৰ এই কাৰ্যসূচীৰ সমন্বয়ক ডক্টৰ নিলয় বৰা, ডক্টৰ সুন্দৰ বৰ্মন, অপূৰ্ব দাস আৰু আশিসপ্ৰান্ন শইকীয়াই অংশগ্ৰহণ কৰে।

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## অসম কৃষি বিশ্ববিদ্যালয়ত ..

ক্ষেত্ৰত প্ৰতিষ্ঠানৰ ভূমিকাক আলোকপাত কৰে। অসমৰ উদ্যোগীসকলৰ সৈতে এক মুখামুখী বাৰ্তালাপেৰে আৰম্ভ হোৱা অধিবেশনত সৰ্বভাৰতীয় সমন্বিত কৃষি গৱেষণা প্ৰকল্পৰ সমন্বয়কসকলে নিজ নিজ প্ৰকল্পৰ গুৰুত্ব আৰু সাফল্যৰ ওপৰত আলোকপাত কৰে। কাৰিকৰী অধিবেশনত প্ৰকল্পসমূহৰ সৈতে জড়িত বিভিন্ন কেন্দ্ৰৰ খতিয়ান দাঙি ধৰা হয়। এ.আই.চি.আৰ.পি.-ফেট, চি.এ.ই.উ, ইম্ফল, মণিপুৰৰ ডাঃ এন. জি জয়কুমাৰ, অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰাৰ ড° এছ. কে. লস্কৰ, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ ড° এ. বৰা, ৰাণীপুল, গেংটকৰ ড°ৰাই. ৰূপাৰ্ট আনন্দ, অৰুণাচল প্ৰদেশৰ এন.আৰ.চি.-দিৰাঙত প্ৰকল্পৰ প্ৰধান বিজ্ঞানী ড° বিজয় পলে প্ৰকল্প প্ৰতিবেদন দাখিল কৰে। এই পৰ্যালোচনা সভাত আই.চি.এ.আৰ-চি.আই.এ.ই, ভূপালৰ প্ৰাক্তন সঞ্চালক ড° পিতম চন্দ্ৰ, লিফটেমৰ এফ.এছ.টি বিভাগৰ অধ্যাপক ড° আশুতোষ উপাধ্যায়, আৰ.বি.আই. (আই.আৰ.এম.এ.)ৰ প্ৰাক্তন অধ্যক্ষ উদয় শঙ্কৰ সাহা, ড° সন্দীপ মান আৰু ড° আৰ.কে. বিশ্বকৰ্মা উপস্থিত থাকে। এই পৰ্যালোচনা সভাখনৰ জৰিয়তে জ্ঞান বিনিময় আৰু পশুপালন খণ্ডৰ বিভিন্ন সমস্যা সমাধানৰ বাবে এক মঞ্চ হিচাবে কাম কৰিছিল। ইয়াত প'ষ্ট হাৰ্ভেষ্ট ইঞ্জিনিয়াৰিং আৰু টেকন'লজিৰ লগতে কৃষি গাঁথনি আৰু পৰিবেশ ব্যৱস্থাপনাত প্লাষ্টিক ইঞ্জিনিয়াৰিঙৰ ক্ষেত্ৰত যোৱা পাঁচ বছৰত বিভিন্ন অংশগ্ৰহণকাৰী কেন্দ্ৰৰ কৃতিত্বৰ ওপৰত আলোকপাত কৰা হয়। ইয়াৰ উপৰিও কৃষি আৰু সংশ্লিষ্ট খণ্ডৰ উত্থান কেন্দ্ৰসমূহে বিকশিত কৰা বিভিন্ন প্ৰযুক্তিৰ আৰ্থ-সামাজিক প্ৰভাৱৰ পৰ্যালোচনা কৰে।

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ